# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 05-12-2025
**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত এছ আই টিৰ ১২ ডিচেম্বৰৰ ভিতৰত অভিযোগনামা দাখিলৰ সম্ভাৱনা।

২। ডিব্ৰুগড়, লখিমপুৰ, যোৰহাট, তেজপুৰ আৰু হলংগি বিমানবন্দৰৰ পৰা চলাচল কৰা ইণ্ডিগ'ৰ কেইবাখনো বিমানৰ যাত্ৰা আজি বাতিল।

৩। উমৰাংছ'ত ডিমা হাচাও জিলাৰ প্ৰথমখন অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়াম মুকলি।

*আৰু*

৪। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ব্যৱহাৰিক পৰীক্ষাৰ সময়সূচী ঘোষণা।

০০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত গঠন কৰা বিশেষ তদন্তকাৰী গোট এছ আই টিয়ে এই গোচৰৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰিছে আৰু ১২ ডিচেম্বৰৰ ভিতৰত অভিযোগনামা দাখিল কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এছ আই টিয়ে বৃহৎ সংখ্যক সাক্ষ্য প্ৰমাণ লাভ কৰাৰ লগতে প্ৰায় তিনি হাজাৰ পৃষ্ঠাৰ অভিযোগনামা সাজু কৰিছে আৰু নিৰ্ধাৰিত সময়ৰ পূৰ্বেই ইয়াক দাখিল কৰা হ'ব।

০০০০০০০

দেশৰ ব্যক্তিগত খণ্ডৰ বৃহত্তম বিমান পৰিবহণ সংস্থা ইণ্ডিগ' এয়াৰলাইন্সৰ পাইলটসকলৰ অসহযোগিতাকে ধৰি বিভিন্ন কাৰণত আজিও সমগ্ৰ দেশতে পৰিবহণ সংস্থাটোৰ বিমান সেৱা বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। ডিব্ৰুগড়, লখিমপুৰ, যোৰহাট, তেজপুৰ আৰু ইটানগৰৰ সমীপৰ হলংগি বিমানবন্দৰৰ পৰা চলাচল কৰা ইণ্ডিগ'ৰ কেইবাখনো বিমানৰ যাত্ৰা আজি বাতিল হোৱাৰ ফলত যাত্ৰীসকলে দুৰ্ভোগ ভুগিবলগীয়া হয়। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰতো আজি ইণ্ডিগ'ৰ কেইবাখনো বিমানৰ যাত্ৰা বাতিল কৰা হয় আৰু আন কেইবাখনো বিমান যথেষ্ট পলমকৈ চলাচল কৰে। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে পাইলটসকলৰ উৰণৰ আৰু জিৰণিৰ সময়সীমা নতুনকৈ নিৰ্ধাৰণ কৰাৰ ফলত দেশৰ সৰ্ববৃহৎ বিমান পৰিবহণ সংস্থাটোৰ বিমান পৰিচালনাৰ ক্ষেত্ৰত এনে বিসংগতি হোৱা বুলি আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনাইছে।

০০০০০০০

ডিমা হাচাওৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত আজি জিলাখনৰ প্ৰথমখন অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়াম মুকলি কৰা হয়। উমৰাংছ'ত  নিৰ্মাণ কৰা এই নতুন ক্ৰিকেট ষ্টেডিয়ামখন মুকলি কৰি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই খেলৰ সা-সুবিধাসমূহ ৰাজ্যৰ প্ৰতিখন জিলাৰ প্ৰতিটো প্ৰান্তলৈকে কঢ়িয়াই নিবলৈ ৰাজ্য চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে, ক্ৰিকেটৰ সকলো প্ৰকাৰৰ প্ৰয়োজনীয় সুবিধাৰে সমৃদ্ধ প্ৰায় ৩০ বিঘা মাটিত নিৰ্মিত এই ষ্টেডিয়ামত ১৫ হাজাৰ দৰ্শকে একেলগে খেল উপভোগ কৰিব পাৰিব। ষ্টেডিয়ামখনত পাঁচখন পিট্‌ছ, এটা আধুনিক পেভেলিয়ন আৰু অন্যান্য উন্নত সুবিধাসমূহ খেলুৱৈসকলে লাভ কৰিব। এই ষ্টেডিয়ামে ক্ৰীড়াৰ ক্ষেত্ৰত জিলাখনক আগবঢ়াই নিয়াৰ লগতে পৰ্যটনৰ ক্ষেত্ৰতো সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত অংশ লোৱাৰ পাছত বি চি চি আইৰ সচিব দেৱজিৎ লন শইকীয়াই সাংবাদিকৰ আগত কয়, যে এই ষ্টেডিয়ামখনত ঘৰুৱা ক্ৰিকেট খেল অনুষ্ঠিত কৰাৰ বাবে সকলো ধৰণৰ সা-সুবিধা ৰখা হৈছে। এই ষ্টেডিয়ামত অনুশীলন কৰি ভৱিষ্যতে উমা ছেত্ৰীৰ দৰে ক্ৰীড়া প্ৰতিভাৰ উন্মেষ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

*-বাইট-*

০০০০০০০

ডিমা হাচাও জিলাৰ মাৰ জনগোষ্ঠীৰ লোকসকলৰ পৰম্পৰাগত উৎসৱ চিক পুই ৰুই আজিৰে পৰা আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই উৎসৱ উপলক্ষে সমূহ মাৰ জনগোষ্ঠীৰ লোকক শুভেচ্ছা জ্ঞাপন কৰিছে। এই উৎসৱ শীতকালত প্ৰায় এমাহ ধৰি পালন কৰা হয়। উৎসৱৰ সৈতে সংগতি ৰাখি জনগোষ্ঠীটোৰ যুৱক-যুৱতীসকলে থালৌৰাম লাম, লামত লালুং লাম, কেটেল লামৰ দৰে নাচ প্ৰদৰ্শন কৰে। এই উৎসৱৰ দশম দিনা বিশেষভাৱে উল্লেখযোগ্য বুলি বিবেচনা কৰা হয়। জাৱাল চাক এই উৎসৱৰ শেষৰটো দিন। সেইদিনা জাই পু অৰ্থাৎ নৃত্য গীতৰ আখৰা কৰোতা জনক গাঁওজুৰি শোভাযাত্ৰা কৰোৱা হয়। ইয়াৰ লগতে গাঁওবাসীয়ে একেলগে লগভাত খাই উৎসৱৰ সামৰণি মাৰে।

০০০০০০০

শীতকালত ঘন কুঁৱলীৰ বাবে হ'ব পৰা পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে হোজাই জিলা প্ৰশাসনে যান-বাহন চলাচলৰ ক্ষেত্ৰত নীতি-নিৰ্দেশনা জাৰি কৰিছে। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে আজি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই নিৰ্দেশনা অনুসৰি জিলাখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথত বিয়লি ৫ বজাৰ পৰা পুৱা ৮ বজালৈ ডাম্পাৰ চলাচল বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই সময়ছোৱাত এই পথসমূহত ই-ৰিক্সাৰ চলাচলো বন্ধ কৰা হৈছে। তদুপৰি ৰাষ্ট্ৰীয় ঘাইপথত সকলো গধুৰ যান-বাহনৰ বেগ প্ৰতি ঘণ্টাত ৪০ কিলোমিটাৰ আৰু লঘু বাহনৰ বেগ প্ৰতি ঘণ্টাত ৬০ কিলোমিটাৰলৈ সীমাবদ্ধ কৰা হৈছে। সুৰাপান কৰি আৰু দ্ৰুতগতিত গাড়ী চলোৱাকে ধৰি কেইবাটাও বিষয়ত নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলি তেওঁ কয়।

*-বাইট-*

০০০০০০০

ৰাজ্যৰ জাতীয় ফল ৰূপে স্বীকৃতি লাভ কৰা কাজি নেমুৰ ৰস সংৰক্ষণৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষক বিজ্ঞানীসকলে  উদ্ভাৱন কৰা বিশেষ প্ৰযুক্তি কৌশলৰ বাণিজ্যিক উৎপাদনৰ এখন বুজাবুজিৰ চুক্তি আজি স্বাক্ষৰ কৰা হয়। কৃষি বিশ্ববিদ্যালয়খনৰ কৃষি গৱেষণা সঞ্চালকৰ কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত

ত্ৰিনিতি ফ্ৰুক্তা প্ৰাইভেট লিমিটেডৰ সৈতে এই চুক্তি স্বাক্ষৰ কৰা হয়। কৃষি গৱেষণা সঞ্চালক ড° সঞ্জয় কুমাৰ চেতিয়া আৰু কোম্পানীটোৰ হৈ ড° কে. এন. সিঙে এই চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে কাজি নেমুৰ ৰস উৎপাদন কৰি স্থানীয় কৃষকক স্বাৱলম্বী কৰিব পৰা হ'ব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। কোনো ধৰণৰ সংৰক্ষকৰ অবিহনে এই প্ৰযুক্তিৰ জৰিয়তে প্ৰায় দুবছৰলৈকে কাজি নেমুৰ ৰস সংৰক্ষণ কৰি শীতল পানীয়ৰ দৰে ব্যৱহাৰ কৰিব পৰা হ'ব বুলি গৱেষকসকলে জানিবলৈ দিছে।

0000000

নগাঁও জিলা প্ৰশাসনে ৰূপহীহাট থানাৰ অন্তৰ্গত ভকতগাঁৱত আজি উচ্ছেদ অভিযান চলায়। প্ৰশাসনে প্ৰায় ৩৮ বিঘা ভূমিত অবৈধভাৱে বাস কৰা ৭৫টা পৰিয়ালক উচ্ছেদ কৰে। জিলা প্ৰশাসনে ইতিমধ্যে দখলীকৃত ভূমি খালী কৰাৰ বাবে প্ৰেৰণ কৰা  জাননী লাভ কৰাৰ পাছতে একাংশ পৰিয়ালে সেই ঠাই এৰি আঁতৰি যায়। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ উপস্থিতিত আজি বাকী থকা পৰিয়ালসমূহক উচ্ছেদ কৰা হয়। এই উচ্ছেদ অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয় বুলি আমাৰ নগাঁৱৰ সংবাদদাতাই জানিবলৈ দিছে।

0000000

ডিব্ৰুগড় জিলাৰ খোৱাং বিধানসভা সমষ্টিৰ অন্তৰ্গত খোৱাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কৃষ্ণ কোঁৱৰক ডিব্ৰুগড় জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকে নিলম্বিত কৰিছে। প্ৰাপ্য তথ্য মতে বিদ্যালয়খনৰ পৰা লাভ কৰা একাধিক অভিযোগৰ ভিত্তিত অধ্যক্ষজনক নিলম্বন কৰা হৈছে। উল্লেখযোগ্য যে অধ্যক্ষ কৃষ্ণ কোঁৱৰৰ বিৰুদ্ধে বিত্তীয় অনিয়ম, ছাত্ৰ-ছাত্ৰীৰ পৰা অধিক হাৰত মাচুল সংগ্ৰহ আদি অভিযোগ উত্থাপিত হৈ আহিছিল।

0000000

শিলচৰত চুৰিৰ সন্দেহত এজন মানসিক ৰোগীক নৃশংসভাৱে প্ৰহাৰ কৰাৰ অভিযোগত আৰক্ষীয়ে আজি অম্বিকাপট্টিৰ পূৰৱ সেন আৰু তাৰাপুৰ চান্দমাৰী ৰোডৰ ৰাজদ্বীপ বিশ্বাসক গ্ৰেপ্তাৰ কৰে। অভিযোগ অনুসৰি দুয়োজন অভিযুক্তই মানসিক ৰোগীজনক ৰাজপথত খুঁটাত বান্ধি অপমান আৰু প্ৰহাৰ কৰিছিল। এই ঘটনাটোৰ ভিডিঅ' সামাজিক মাধ্যমত বিয়পি পৰাৰ পাছত দুয়োজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱা হয়। আদালতে অভিযুক্তদ্বয়ক ন্যায়িক জিম্মাত ৰখাৰ নিৰ্দেশ দিয়ে।

0000000

ৰাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু সোণাপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ ল'ব। অনুষ্ঠানত কেইবাগৰাকীও কৃষকে নিজৰ অভিজ্ঞতা বিনিময় কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

0000000

মাজুলীৰ বিহিমপুৰ সত্ৰৰ যুৱ সংঘৰ সৌজন্যত আৰু স্থানীয় ৰাইজ সহযোগত বিহিমপুৰ সত্ৰৰ ৰংগমঞ্চ প্ৰাংগণত কালিৰে পৰা দুদিনীয়াকৈ অসম ভিত্তিত দিবা-নৈশ ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাখনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভলীবল দলে অংশগ্ৰহণ কৰিছে।

0000000

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত শিৱসাগৰ জিলাৰ আমগুৰি উন্নয়ন খণ্ডত ৰূপায়িত চৰকাৰৰ  ধ্বজাবাহী আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভত আমগুৰি খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈৰ সৈতে সাক্ষাৎকাৰ নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীয়ে।

0000000

**সমাপ্ত**